## মৌলিক অধিকাৰৰ বৈশিষ্ট্য (Characteristics of Fundamental Rights)

ভাৰতীয় সংবিধানত নাগৰিকৰ মৌলিক অধিকাৰ সম্পৰ্কে অধ্যয়ন কৰিলে কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য দেখা যায়। সেই বৈশিষ্ট্য কেইটা হৈছে —

**(১) বাদযোগ্য (Justiciable)** ঃ ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ বাদযোগ্য। যদি কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰে এই অধিকাৰসমূহৰ ওপৰত অযথা হস্তক্ষেপ কৰে তাৰ কাৰণে সংবিধানত যথাবিহিত ব্যৱস্থা ৰখা হৈছে। নাগৰিকে নিজৰ মৌলিক অধিকাৰ ৰক্ষাৰ কাৰণে উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ৰ কাষ চাপিব পাৰে। অধিকাৰ বিৰোধী যিকোনো কাৰ্যক ন্যায়ালয়ে বাধা দিব পাৰে বা নাকচ কৰিব পাৰে। সেয়েহে ন্যায়ালয়ক মৌলিক আধিকাৰৰ ৰক্ষক (Protector of Fundamental Right) আখ্যা দিয়া হয়।

**(২) চৰম নহয় (Not Absolute)** ঃ ভাৰতীয় সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ বাদযোগ্য হলেও চৰম নহয়। এই অধিকাৰসমূহ কিছুমান সীমাবদ্ধতাৰ মাজতহে ভোগ কৰিব পাৰে। ভাৰত ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু ৰাজ্যিক অখণ্ডতা ৰক্ষাৰ কাৰণে কেতিয়াবা অধিকাৰ উপভোগৰ ক্ষেত্ৰত বাধা আৰোপ কৰিব লগীয়া হয়। তাৰোপৰি দেশত জৰুৰীকালীন অৱস্থা বলবৎ থাকিলে এই অধিকাৰসমূহ সাময়িকভাৱে স্থগিত ৰখা হয়।

**(৩) অধিকাৰসমূহ আইনগত আৰু ৰাজনৈতিক (Based on Legal and Political Rights)** ঃ সংবিধানত উল্লেখিত নাগৰিকৰ মৌলিক অধিকাৰসমূহ মূলত আইনগত আৰু ৰাজনৈতিক । কিছুমান অধিকাৰ আংশিকভাৱে সামাজিক। ভাৰতীয় সংবিধানে নাগৰিকৰ অৰ্থনৈতিক অধিকাৰৰ ওপৰত কোনো ধৰণৰ গুতুত্ব আৰোপ কৰা নাই।

**(৪) অধিকাৰবোৰ নাগৰিক আৰু বিদেশী উভয়ে উপভোগ কৰে (Rights are Enjoyed Both by Citizens and Aliens)** ঃ সংবিধানত সংযোজন কৰা কিছুমান অধিকাৰ কেৱল ভাৰতীয় নাগৰিকে ভোগ কৰিব পাৰে আৰু আন কিছুমান অধিকাৰ ভাৰতত বসবাস কৰা সকলো শ্ৰেণীৰ লোকে ভোগ কৰিব পাৰে। উদাহৰণ স্বৰূপে, সংবিধানৰ ১৯ নং অনুচ্ছেদত উল্লেখ থকা স্বাধীনতাৰ অধিকাৰ কেৱল ভাৰতীয় নাগৰিকেহে ভোগ কৰিব পাৰে । আনহাতে ২৫ নং আৰু ২৬ নং অনুচ্ছেদত থকা ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ ভাৰতত বাস কৰা বিভিন্ন ধৰ্মৰ লোকে ভোগ কৰিব পাৰে।

**(৫) মৌলিক অধিকাৰবোৰ সংখ্যালঘুৰ ৰক্ষা কৱচ (Fundamental Rights are Protector of Minorities)** ঃ মৌলিক অধিকাৰৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল যে এই অধিকাৰসমূহক সংখ্যালঘুৰ ৰক্ষাকৱচ আখ্যা দিয়া হৈছে। সংবিধানে প্ৰদান কৰা মৌলিক অধিকাৰে ভাৰতত বাস কৰা বিভিন্ন শ্ৰেণীৰ সংখ্যালঘুসকলৰ স্বাৰ্থ সুনিশ্চিত কৰি দিছে। সংবিধানত মৌলিক অধিকাৰসমূহ অন্তৰ্ভুক্ত হোৱাৰ কাৰণে কোনো ব্যক্তি, সংস্থা বা চৰকাৰৰ কোনো অংগই সংখ্যালঘুসকলৰ স্বাৰ্থ উপেক্ষা কৰিব নোৱাৰে।